# অসম আদিত্য

২৪ পুহ, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ৯ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, January 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

## কানৈ মহাবিদ্যালয়-মইনা পাৰিজাতৰ উদ্যোগত প্ৰাক্ মাঘ বিহু উদযাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ৮ জানুৱাৰী ঃ** মাঘ বিহু অসমীয়াৰ প্ৰাণ, মাঘ বিহু অসমীয়াৰ বাপতিসাহোন। জাতীয় উৎসৱ মাঘ বিহু আৰু অসমৰ ভাষা-সংস্কৃতি, পৰম্পৰা, উৎসৱ, পাৰ্বণক নতুন প্ৰজন্মৰ মাজত চিনাকি কৰি দিয়া, নতুন প্ৰজন্মক উৎসাহিত কৰা, অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উদ্যোগত আৰু কানৈ মহবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত প্ৰাক্ মাঘ বিহু উদ্‌যাপন কৰা হ'ব। ১২ জানুৱাৰীৰৰ সন্ধ্যা কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত নিয়ন লাইটৰ পোহৰত মাঘ বিহু উপলক্ষে গীত-মাত-নৃত্য আদি পৰিৱেশন কৰা হ'ব। কণ কণ মইনা, কিশোৰৰ পৰা জ্যেষ্ঠজনলৈকে সকলোৱে অংশগ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচী উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্দেশ্য ব্যাখ্যা কৰিব ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সাংস্কৃতিক সম্পাদক ৰাজীৱ ফুকনে। ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সভাপতি পৱিত্ৰ চুতীয়া, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদক মামণি শৰ্মাকে ধৰি জিলাখনৰ মইনা পাৰিজাতৰ বিষয়ববীয়াসকল, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকল আৰু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকিব। অনুষ্ঠানত শলাগ জ্ঞাপন কৰিব কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই।



লিকাৰে ভৰি
কিন্তু সেই
হোৱা পানী

মহাবিদ্যালয়ৰ সহক
আৰু বিষ্ণুপ্ৰসাদ ৰাভা
সভাত চাবুৱাৰ বিশি
সভাপতি চান্দ কুমা
শলাগ লয় আৰু চাবু
১০ গৰাকী ছাত্ৰ-ছাত্ৰী
টকাকৈ প্ৰদান কৰাৰ
নুৰুল কোঁৱৰ আৰু মৃ
সাহিত্য সভাৰ সম্পা
সভাৰ সভাপতি জগ
সভাৰ উপ-সভাপতি
শিক্ষক হেনা দুৱৰা,
মাউট, প্ৰদীপ হাজৰি
গণ্য-মান্য ব্যক্তি উপ
সংগীতপৰিৱেশন ক
ৰাভা গীতৰ ওপৰত